অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

কৰ্ম মোৰ সংস্কৃতি

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ : অজাবি/০০৯/১৬/২০২৩-২৪
*Ref :*

তাৰিখ : ০৪-১১-২০২৩
*Date :*

# অসম জাতীয় বিদ্যালয়ত 'গীত-মাতৰ গধূলি'ৰ জীপাল সন্ধিয়া

**নুনমাটি, গুৱাহাটী, ৪ নৱেম্বৰ ঃ** অসম জাতীয় বিদ্যালয় প্ৰাংগণত আজি ৪ নৱেম্বৰ তাৰিখে ২০২৩ বৰ্ষৰ বাৰ্ষিক সাংস্কৃতিক অনুষ্ঠান 'গীত-মাতৰ গধূলি' আড়ম্বৰপূৰ্ণভাৱে উদ্‌যাপন কৰা হয়। বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে এগছি বন্তি প্ৰজ্বলনেৰে 'গীত-মাতৰ গধূলি' অনুষ্ঠানৰ শুভাৰম্ভ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে বিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰ লগত জড়িত পুৰোধা ব্যক্তিসকলৰ প্ৰতিচ্ছবিৰ সন্মুখত শ্ৰদ্ধা জ্ঞাপন কৰা হয়। 'গীত-মাতৰ গধূলি' অনুষ্ঠানত প্ৰাক্-প্ৰাথমিক শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীয়ে গীত-মাত-নৃত্য আদি বিভিন্ন সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। উল্লেখযোগ্য যে, বিগত বৰ্ষবোৰৰ দৰে এই বৰ্ষতো বিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'বাখৰ' উন্মোচন কৰে বিশিষ্ট সাহিত্যিক, সাংবাদিক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কনকসেন ডেকাই। 'বাখৰ' উন্মোচন কৰি বিশিষ্ট সাহিত্যিক গৰাকীয়ে কয় যে অসম জাতীয় বিদ্যালয়ৰ জন্মলগ্নৰ লগত জড়িত ব্যক্তিসকলৰ বাবে এই বিদ্যালয় আৰম্ভণিতে এক সপোন আছিল, যি সপোন অসমীয়া জাতি-ভাষাক ভালপোৱা সেইসকলৰ আশাশুধীয়া প্ৰচেষ্টাত আজি এক মহান অনুষ্ঠানত পৰিণত হৈছে। লগতে তেওঁ এইটোও কামনা কৰে যে অসম জাতীয় বিদ্যালয় এদিন হ'লেও অসম জাতীয় বিশ্ববিদ্যালয়ৰ ৰূপ পাব। আজিৰ সাংস্কৃতিক সন্ধিয়াৰ বিশিষ্ট অতিথি হিচাপে বিশিষ্ট গীতিকাৰ তথা নাট্যশিল্পী হেমন্ত দত্ত উপস্থিত থাকি তেওঁ বক্তব্যত কয় যে 'গীত-মাতৰ গধূলি'ৰ মধুৰ পৰিৱেশে তেওঁক আবেগিক কৰি তোলে। কণ কণ শিশুৰ পৰা কিশোৰলৈ বিভিন্ন অনুষ্ঠান পৰিৱেশনৰ বাবে সাজু হোৱা প্ৰতিগৰাকী শিক্ষাৰ্থীলৈ তেওঁ চেনেহভৰা শুভেচ্ছা জ্ঞাপন কৰে। অসম জাতীয় বিদ্যালয়ৰ মুখৰিত এই পৰিৱেশে তেওঁৰ বয়স যেন দহ বছৰ কমাইহে দিলে বুলি তেওঁ আবেগিকভাৱে প্ৰকাশ কৰে। 'গীত-মাতৰ গধূলি'ৰ এই মঞ্চতে অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীৰ অভিভাৱক অসমীয়া কথাছবি 'ব্ৰীজ'ৰ পৰিচালক, অভিনেতা কৃপাল কলিতাকো সম্বৰ্দ্ধনা জনোৱা হয়। অসম জাতীয় বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সচিব ডাº নাৰায়ণ শৰ্মাই তেওঁৰ ভাষণত বিদ্যালয়ত সংযোজন ঘটোৱা '**BEACON**'ৰ লক্ষ্য, উদ্দেশ্য তথা ভৱিষ্যত পৰিকল্পনা সম্পৰ্কে সকলোকে অৱগত কৰে। উল্লেখযোগ্য যে কাইলৈ অৰ্থাৎ ৫ নৱেম্বৰ তাৰিখে এই মঞ্চতে 'অসম জাতীয় বিদ্যালয় সন্মান প্ৰদান' অনুষ্ঠান অনুষ্ঠিত হ'ব।

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়